**2014**

ASSAMESE

( Major )

Paper : 6.6

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। কেৱল উত্তৰটো লিখা : ১×৭=৭

(ক) *An Introduction to Descriptive Linguistics* গ্ৰন্থখনৰ লেখক কোন?

(খ) বৰ্ণ বা বৰ্ণসমষ্টিৰ অৰ্থবহ ক্ষুদ্ৰতম গোটক কি নামেৰে জনা যায়?

(গ) ভাষা শব্দটো সংস্কৃত ভাষাৰ কি ধাতুৰ পৰা সিদ্ধ হৈছে?

(ঘ) শূন্য বিভক্তি বুলিলে কি বুজা?

(ঙ) অসমীয়া ভাষাত শ্ৰুতিধ্বনিৰ সংখ্যা কিমান?

(চ) ফাৰচী ভাষাৰ 'শেৰ' শব্দটোৱে সিংহক বুজাইছিল। কিন্তু উৰ্দুত 'শেৰ' শব্দটোৱে কি জন্তুক বুজাইছে?

(ছ) তলৰ বাক্যটিত কিবা যদি ভুল আছে শুদ্ধকৈ লিখা :

তাৰ মা আহিছে।

২। যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ২×৪=৮

(ক) অসমীয়া বাক্যৰ সুৰ লহৰৰ বিষয়ে লিখা।

(খ) অৰ্থ পৰিৱৰ্তনৰ দুটা কাৰণ উল্লেখ কৰি উদাহৰণ দিয়া।

(গ) প্ৰকৃতি আৰু প্ৰত্যয়ৰ পাৰ্থক্য উল্লেখ কৰা।

(ঘ) অসমীয়া ভাষাত মূলীয় স্বৰধ্বনি কেইটা আৰু কি কি?

(ঙ) ধ্বনিলিপি সম্পৰ্কে চমুকৈ লিখা।

(চ) ভাষা-ভূগোল সম্পৰ্কে চমুকৈ লিখা।

৩। তলৰ যি কোনো **পাঁচটাৰ** বিষয়ে উদাহৰণসহ চমু টোকা লিখা : ৩×৫=১৫

(ক) বৰ্ণনামূলক ভাষাবিজ্ঞান

(খ) ধ্বনি আৰু বৰ্ণ

(গ) বাক্যৰ আসন্ন অঙ্গ

(ঘ) সমাজ ভাষাবিজ্ঞান

(ঙ) অৰ্থ বিস্তাৰ (Expansion of meaning)

(চ) পিজিন আৰু ক্ৰেওল

(ছ) অসমীয়া ভাষাৰ পূৰ্বসৰ্গ আৰু পৰসৰ্গ

৪। (ক) ধ্বনিবিজ্ঞানৰ আলোচ্য বিষয় কি? ইয়াৰ প্ৰত্যেক বিভাগৰ চমু পৰিচয় দিয়া। ৩+৭=১০

*অথবা*

(খ) প্ৰাকৃতি কাক বোলে? আকৃতিৰ পৰা কিদৰে প্ৰাকৃতি নিৰ্ণয় কৰিব পাৰি, আলোচনা কৰা। ৩+৭=১০

৫। (ক) শব্দাৰ্থ বিজ্ঞানৰ মূল ধাৰাকেইটা কি কি? অসমীয়া ভাষাৰ উদাহৰণসহ সেই ধাৰাসমূহৰ বিষয়ে আলোচনা কৰা। ৪+৬=১০

*অথবা*

(খ) বাক্যতত্ত্ব বুলিলে কি বুজা? গঠন-ৰীতিৰ ফালৰ পৰা বাক্যক কেইটা ভাগত বিভক্ত কৰা হয়? উদাহৰণসহ আলোচনা কৰা। ৩+১+৬=১০

৬। (ক) ভাষাবিজ্ঞানক কেইটা শাখাত ভগোৱা হয়? তুলনামূলক আৰু বিৰোধমূলক ভাষাবিজ্ঞানৰ বিষয়ে বহলাই আলোচনা কৰা। ৪+৩+৩=১০

*অথবা*

(খ) উপভাষাবিজ্ঞান মানে কি? উপভাষাৰ সীমা কিদৰে নিৰ্ধাৰণ কৰিব পাৰি, আলোচনা কৰা। এই ক্ষেত্ৰত সম-শব্দৰেখা (isogloss) আৰু তদ্‌জাতীয় সমৰেখাৰ ভূমিকা কেনে, বুজাই দিয়া। ৩+৪+৩=১০

★ ★ ★